# খ্ৰীষ্টই যোহনক কি আহিব দেখুৱাইছিল

**ল'ৰা-ছোৱালীক শিকোৱাবিলাকে R4b অধ্যয়ন পঢ়া উচিত**

**১। প্ৰকাশিত বাক্য শিকাবলৈ প্ৰাৰ্থনাৰে আৰু বাক্যৰে যুগুত হওঁক।**

**প্ৰাৰ্থনা ঃ** "যীচু, তুমি এই পৃথিৱীখনৰ প্ৰভু। যিকোনো ত্যাগৰ বিনিময়ত তোমাৰ পৰিচৰ্য্যা কৰিবলৈ বিশ্বাসীবিলাকক আৰু মোক সহায় কৰা, আৰু তুমি অহালৈ আশাৰে বাট চাই থাকিবলৈ দিয়া।

**টোকা ঃ** প্ৰকাশিত বাক্যত অনেক চিনবোৰ আছে। বেছিভাগ চিন পুৰনি নিয়মৰ পৰা। নতুন নিয়মে খ্ৰীষ্টে পুৰনি ভাব্বানীবোৰ কেনেকৈ সিদ্ধ কৰিছে তাকে দেখুৱাইছে। তাড়না পোৱা খ্ৰীষ্টিয়ানসকলক প্ৰকাশিত বাক্যই খ্ৰীষ্ট পুনৰায় নহা পৰ্য্যন্ত তেওঁত বিশ্বাসী হৈ থাকিবলৈ শিকাইছে।



এই সপ্তাহটোত প্ৰকাশিত বাক্য গোটেইখিনি পঢ়ক। তলত দিয়া তালিকাখন অনুসৰণ কৰক। কিতাপখনে কেনেকৈ আমাক স্বৰ্গলৈ দৃষ্টি কৰিবলৈ আৰু পৃথিৱীত জীয়াই থাকিবলৈ সহায় কৰিছে মন কৰক।

**প্ৰথম দিন**

এইবোৰত স্বৰ্গত খ্ৰীষ্টৰ বিষয়ে চাওঁক ঃ

**১ঃ১-৯** খ্ৰীষ্টই আমাৰ কাৰণে এই পৃথিৱীত কি কৰিলে।

**১ঃ১০-১৯** খ্ৰীষ্টই আমাৰ কাৰণে স্বৰ্গত কি কৰিছে।

**২ঃ১-৩ঃ২২** খ্ৰীষ্টই পৃথিৱীত থকা বিশ্বাসীবিলাকক কি কৈছে (৭ টা মণ্ডলী)

**৪ঃ১-৫ঃ১৪** বিশ্বাসীবিলাকে স্বৰ্গত থকা খ্ৰীষ্টক কি কৈছে।

**দ্বিতীয় দিন**

এই শাস্ত্ৰ অংশবোৰত খ্ৰীষ্টৰ বাবে জীয়াই থকাৰ বিষয়ে চাওঁক ঃ

**৬ঃ১-১৭** স্বৰ্গত যি সিদ্ধান্ত লোৱা হয়, পৃথিৱীত সেয়ে ঘটে। (৭ টা মোহৰ)

**৭ঃ১-৮** বিশ্বাসীবিলাকে খ্ৰীষ্টৰ কাৰণে পৃথিৱীত কি কৰে। (১২ ফৈদ)

**৭ঃ৯-৮ঃ৬** বিশ্বাসীবিলাকৰ কাৰণে খ্ৰীষ্টই স্বৰ্গত কি কৰে।

**তৃতীয় দিন**

এই শাস্ত্ৰ অংশবোৰত ঈশ্বৰৰ কৰা বিচাৰৰ বিষয়ে চাওঁক ঃ

**৮ঃ৭-৯ঃ২১** পৃথিৱীত যি ভয়ানক ঘটনা ঘটিব। *(৭ টা শিঙা)*

**১০ঃ১-১১ঃ২** স্বৰ্গত ঘটিবলগা আঁচৰিত ঘটনাবোৰ। *(৭ টা মেঘ গৰ্জ্জন)*

**১১ঃ৩-১৪** দুষ্ট মানুহবিলাকে এই পৃথিৱীত প্ৰভুভক্ত বিশ্বাসীবিলাকক কি কৰে। *(২ জন সাক্ষী)*

**১১ঃ১৫-১৯** দুষ্ট মানুহবিলাকলৈ স্বৰ্গই কি কৰে।

**চতুৰ্থ দিন**

এই শাস্ত্ৰ অংশবোৰত আত্মিক যুজ-বাগৰৰ বিষয়ে চাওঁক ঃ

**১২ঃ১-১২** ভাল আৰু বেয়াৰ মাজত স্বৰ্গত যুজ-বাগৰ

**১২ঃ১৩-১৭** ভাল আৰু বেয়াৰ মাজত পৃথিৱীত যুজ-বাগৰ

**১৩ঃ১-১০** বিশ্বাসীবিলাকৰ বিৰুদ্ধে পৃথিৱীত ৰাজনৈতিক ক্ষমতা (২ টা জন্তু)

**১৩ঃ১১-১৮** বিশ্বাসীসকলৰ বিৰুদ্ধে পৃথিৱীত আত্মিক ক্ষমতা।

**পঞ্চম দিন**

এই শাস্ত্ৰ অংশবোৰত খ্ৰীষ্টিয়ানৰ তাড়ণাৰ বিষয়ে চাওঁক ঃ

**১৪ঃ১-৫** তাড়ণা পোৱা যিবিলাক বিশ্বাসী স্বৰ্গ পাইছেগৈ।

**১৪ঃ৬-১২** স্বৰ্গৰ পৰা পৃথিৱীলৈ অহা প্ৰতাপী দূতবিলাক।

**১৪ঃ১৩-১৮** ঈশ্বৰে স্বৰ্গত কি সিদ্ধান্ত লয়।

**১৪ঃ১৯-২০** ঈশ্বৰে পৃথিৱীত কি কৰে। (৭ জন দূত)

**পঞ্চম দিন (চলি থাকে)**

এই শাস্ত্ৰ অংশবোৰত খ্ৰীষ্টৰ পুনৰ আগমনৰ বিষয়ে চাওঁক ঃ

**১৫ঃ১-৮** ঈশ্বৰে স্বৰ্গত বিচাৰৰ সিদ্ধান্ত কেনেকৈ ল'ব।

**১৬ঃ১-২১** ঈশ্বৰে পৃথিৱীলৈ বিচাৰ কেনেকৈ লৈ আহিব।

**১৭ঃ১-১৮ঃ৩** ক্ষমতাশালী দেশবোৰ পৃথিৱীত কেনেকৈ পতন হ'ব। (৭ জন ৰজা)

**১৮ঃ৪-৮** ঈশ্বৰে কেনেকৈ স্বৰ্গৰ পৰা ক্ষমতাশালীবিলাকক দোষী কৰিব।

**১৮ঃ৯-২৪** ঈশ্বৰৰ ইচ্ছাই পৃথিৱীত কেনেকৈ শেষ বিচাৰ আনিব।

**১৯ঃ১-১০** ঈশ্বৰৰ ইচ্ছাই কেনেকৈ স্বৰ্গৰ পৰা শেষ জয় লৈ আহিব।

**ষষ্ঠ দিন**

এই শাস্ত্ৰ অংশবোৰত খ্ৰীষ্টৰ অনন্তকলীয়া ৰাজ্যৰ বিষয়ে চাওঁক ঃ

**১৯ঃ১১-১৮** ঈশ্বৰে কেনেকৈ স্বৰ্গত ৰজা হিচাপে ৰাজত্ব কৰিব?

**১৯ঃ১৯-২১** ঈশ্বৰে পৃথিৱীত কেনেকৈ জয়জুক্ত হব।

**২০ঃ১-৩** স্বৰ্গৰ শক্তিয়ে চয়তানক কেনেকৈ বান্ধিব?

**২০ঃ৪-১০** খ্ৰীষ্টৰ ক্ষমতাই পৃথিৱীত কেনেকৈ ৰাজত্ব কৰিব। (১ম পুনৰুত্থান)

**২০ঃ১১-১৭** ঈশ্বৰে স্বৰ্গৰ পৰা কেনেকৈ আটাই দুষ্টলোকৰ বিচাৰ কৰিব (২য় মৃত্যু)

**২১ঃ১-৮** ঈশ্বৰে আটাই ধাৰ্ম্মিক লোকক কেনেকৈ পৃথিৱীত পুৰষ্কৃত কৰিব।


**সপ্তম দিন**

এই শাস্ত্ৰ অংশবোৰত আজি মানুহৰ বাবে বাণী চাওঁক ঃ

**২১ঃ৯-২৭** বিশ্বাসীবিলাকৰ কাৰণে স্বৰ্গৰ প্ৰতিজ্ঞা।

**২২ঃ১-৫** দুষ্টবিলাকৰ বাবে পৃথিৱীত সাৰধান বাণী।

## প্ৰকাশিত বাক্য পুস্তকৰ প্ৰধান ঘটনাবোৰ




**২। আহিব লগা সপ্তাহটোৰ বাবে আপোনাৰ সহ-কৰ্ম্মীৰ সৈতে কামবোৰৰ আঁচনি তৈয়াৰ কৰি লওঁক।**

যিসকল বিশ্বাসীয়ে কষ্ট পাই আছে বা প্ৰলোভনত পৰিছে তেনেলোকৰ ঘৰ পৰিদৰ্শন কৰক আৰু প্ৰকাশিত বাক্যত থকা সাতোটা পুনৰ আশ্বাস থকা ভাববানী পঢ়ি দিয়ক। প্ৰকাশিত বাক্য ২ঃ১০; ৩ঃ১০; ৭ঃ১৪; ১৩ঃ১০; ১৪ঃ১২; ২০ঃ৪; আৰু ২১ঃ৭ ।

খ্ৰীষ্টিয়ানবিলাকৰ যে সদায় সমস্যাবোৰ আছে, কিন্তু আমি যদি তেওঁত বিশ্বাসী হৈ থাঁকো, খ্ৰীষ্টই আমাক পুৰষ্কৃত কৰিব সেই কথা বুজাই দিয়ক।

আপুনি যদি নতুন চলাওঁতাবিলাকক শিকাই আছে, তেনেহলে প্ৰকাশিত বাক্য পুস্তকৰ অৰ্থ ভাঙনি কৰিবৰ বাবে এইবিলাক নিৰ্দেশনা তেওঁলোকক বুজাই দিয়ক।

- চিনবোৰৰ অৰ্থ পুৰনি নিয়মত বিচাৰিবলৈ দিয়ক।
- যিবিলাক অৰ্থ বাইবেলৰ আন অংশত শিকোৱা হৈছে, সেইবোৰ কেৱল প্ৰকাশিত বাক্যত থকা চিনবোৰ দিয়ক।
- কিতাপখনত এনেকুৱা কিছুমান ছবি আৰু কল্পনাচিত্ৰ আছে যে সেইবোৰে আমি খ্ৰীষ্টৰ বাবে তাড়ণা পোৱা সময়তো ঈশ্বৰ গোটেই জগতখনৰেই যে অধিকাৰী হয় সেই কথা বুজাবলৈ আমাক সহায় কৰিছে।
- প্ৰত্যেক অংশই কেনেকৈ খ্ৰীষ্টক মানি চলিবলৈ আৰু স্বৰ্গৰ আশা কৰিবলৈ খ্ৰীষ্টিয়ান সকলক সহায় কৰিছে চাওঁক।
- এনেভাৱে খ্ৰীষ্টিয়ান সকলত প্ৰয়োগ কৰক যেন পুস্তকখনেই শিক্ষা দিয়ে।

**৩। আপোনাৰ সহ-কৰ্ম্মীৰ সৈতে হবলগীয়া উপাসনাৰ আঁচনি কৰক।**

প্ৰকাশিত বাক্যৰ পৰা এটি অধ্যায় পঢ়ক (৭ অধ্যায় পঢ়িব পাৰে) বা আন কোনোজনক পঢ়িবলৈ দিয়ক।

পুস্তিকখনৰ অৰ্থ ভাঙনি কেনেকৈ কৰিব লাগে বুজাই দিয়ক, ই কেনেকৈ তেওঁলোকৰ জীৱনত কাৰ্য্যকাৰী হয় সেই বিষয়ে বিশ্বাসীসকলক আলোচনা কৰিবলৈ দিয়ক।

ল'ৰা-ছোৱালীবিলাকে যুগুত কৰাখিনি কৰি দেখুৱাবলৈ দিয়ক।

প্ৰভুৰ মেজ পৰিচয় কৰি দিবলৈ প্ৰকাশিত বাক্য ১ঃ১৭ আৰু ১৮ পদটি পঢ়ক আৰু যীচুৰ মৃত্যু আৰু পুনৰুত্থানে এতিয়া আৰু অনন্ত কালৰ বাবে আমাক জীৱন দান কৰিছে আৰু একেলগে পিঠা ভঙাই আমাক এই সত্যটো সোঁৱৰণ কৰিবলৈ সহায় কৰে এই কথা বুজাই দিয়ক।

ইজনে-সিজনৰ প্ৰয়োজনীয়তাখিনি শুনিবলৈ, বিশ্বাসী হৈ থাকিবলৈ উদ্‌গনি দিবলৈ আৰু ইজনে-সিজনৰ কাৰণে প্ৰাৰ্থনা কৰিবলৈ তিনি বা চাৰিজনীয়া সৰু সৰু দলবোৰ গঠন কৰক।

একেলগে মুখস্থ কৰক প্ৰকাশিত বাক্য ১৯ঃ১০।

Copyright 2004 © by Paul-Timothy. May be freely copied. Download from www.Paul-Timothy.net